**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
0000000000

**Date :** 27-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু উজবেকিস্তানৰ উপ-প্ৰধানমন্ত্ৰী খোদজায়েভ জমছেদ অব্দুখা কিম'ৰিচে আজি তাস্কেণ্টত দ্বিপাক্ষিক বিনিয়োগ চুক্তিত স্বাক্ষৰ কৰে।

২। আয়ুষ মন্ত্ৰালয়ে গোলকীয় স্বাস্থ্য ব্যৱস্থাত আয়ুষক অন্তৰ্ভুক্ত কৰাৰ বাবে বিশেষ চুক্তি সম্পন্ন কৰিছে।

৩। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন চলিত বিত্তীয় বৰ্ষত ৬ দশমিক ৫ শতাংশৰ পৰা ৭ শতাংশ অৰ্জনৰ লক্ষ্য স্থিৰ কৰা হৈছে।

৪। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে আজি বিশ্ব পৰ্যটন দিৱস উপলক্ষে ৰাষ্ট্ৰজুৰি পৰ্যটনক প্ৰসাৰিত কৰাৰ বাবে পৰ্যটন মিত্ৰ আৰু পৰ্যটন দিদি পদক্ষেপ মুকলি কৰে। **আৰু**

৫। মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মহিলা যুঁটী তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে।

0000000

ভাৰত আৰু উজবেকিস্তানে তাস্কেণ্টত আজি দ্বিপাক্ষিক বিনিয়োগ চুক্তিত স্বাক্ষৰ কৰে। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু উজবেকিস্তানৰ উপ-প্ৰধানমন্ত্ৰী খোদজায়েভ জমছেদ অব্দুখা কিম'ৰিচে এই চুক্তি স্বাক্ষৰ কৰে। দ্বিপাক্ষিক বিনিয়োগ চুক্তি অনুসৰি দুয়োখন দেশে উভয় দেশৰ বিনিয়োগকাৰীক নিজৰ দেশত সুৰক্ষাৰ ক্ষেত্ৰত নিশ্চয়তা প্ৰদান কৰিব। এই চুক্তিয়ে বিনিয়োগকাৰীসকলক উৎসাহিত কৰাৰ বাবে বিবাদৰ নিষ্পত্তিৰ ক্ষেত্ৰত বৈষম্য নোহোৱাকৈ স্বতন্ত্ৰ মঞ্চ প্ৰদান কৰিব।

বিত্ত মন্ত্ৰালয়ে কৈছে যে, এই চুক্তি স্বাক্ষৰে দুয়োখন দেশৰ অৰ্থনৈতিক সহযোগিতা বৃদ্ধি তথা বিনিয়োগৰ পৰিৱেশ সুচল কৰাৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। এই চুক্তিয়ে দেশ দুখনৰ মাজত দ্বিপাক্ষিক বিনিয়োগ বৃদ্ধি কৰাৰ লগতে ব্যৱসায়িক আৰু অৰ্থনৈতিক দিশত লাভান্বিত কৰিব বুলি আশা কৰা হৈছে।

0000000

আয়ুষ মন্ত্ৰী প্ৰতাপৰাও যাধৱে আজি কৈছে যে, জনসাধাৰণৰ কল্যাণৰ বাবে মন্ত্ৰালয় দায়বদ্ধ। নতুন দিল্লীত আজি মন্ত্ৰালয়ৰ বিগত ১০০ দিনৰ সাফল্যৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে, গোলকীয় স্বাস্থ্য ব্যৱস্থাক আয়ুষক অন্তৰ্ভুক্ত কৰাৰ বাবে বিশেষ চুক্তি সম্পন্ন কৰিছে। মন্ত্ৰীগৰাকীয়ে সমগ্ৰ বিশ্বতে পৰম্পৰাগত আধুনিক চিকিৎসাৰ উপযোগী ঔষধীয় উদ্ভিদ তথা গছপুলিৰ বাবে ভিয়েটনামৰ সৈতে সম্পন্ন কৰা বুজাবুজিৰ চুক্তিৰ সন্দৰ্ভত সকলোকে অৱগত কৰাৰ লগতে আয়ুৰ্বেদৰ গৱেষণা, জ্ঞানৰ আদান-প্ৰদান আৰু আয়ুৰ্বেদ চিকিৎসা ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত মালয়েছিয়াৰ সৈতে চুক্তি সম্পন্নৰ কথাও অৱগত কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতীয় ঔষধ আৰু হোমিঅ'পেথিৰ বাবে ফাৰ্মাকোপিয়া আয়োগ আৰু এবিধ বনযৌধ, এটা মানক জনপ্ৰিয় কৰাৰ বাবে ভাৰতীয় ফাৰ্মাকোপিয়া আয়োগৰ সৈতে চুক্তি সম্পাদন কৰাৰ কথা অৱগত কৰে। আয়ুৰ্বেদিক ঔষধক সহজলভ্য কৰাৰ বাবে চৰকাৰে প্ৰত্যেকখন চহৰতে বিশেষ ঔষধৰ

দোকান খোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে, দেশৰ জ্যেষ্ঠসকলৰ স্বাস্থ্যৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ১৪ হাজাৰ ৬৯২টা আয়ুৰ্বেদিক শিবিৰ অনুষ্ঠিত কৰা হৈছে।

শ্ৰী যাধৱে কয় যে, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয়ুৰ্বেদিক চিকিৎসাক প্ৰসাৰিত কৰাৰ বাবে বিশেষ আয়ুৰ্বেদিক পেকেজ প্ৰদান কৰাৰ বাবে পৰ্যালোচনা বৈঠকত মিলিত হোৱাৰ কথা অৱগত কৰে।

০০০০০০০

ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন চলিত বিত্তীয় বৰ্ষত ৬ দশমিক ৫ শতাংশৰ পৰা ৭ শতাংশ অৰ্জনৰ লক্ষ্য স্থিৰ কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে কালি আগষ্ট মাহৰ বিত্তীয় সমীক্ষা অনুসৰি এই কথা প্ৰকাশ কৰিছে। চলিত বিত্তীয় বৰ্ষত প্ৰথম ত্ৰিমাষিকত কৃষিখণ্ডক বাদ দি আন গুৰুত্বপূৰ্ণ খণ্ডসমূহত ৫ শতাংশৰো অধিক বৃদ্ধি হৈছে। আগষ্ট মাহত খুচুৰা মুদ্ৰাস্ফীতি ৩ দশমিক ৭ শতাংশ হৈছে। প্ৰতিবেদন অনুসৰি মুদ্ৰাস্ফীতিৰ হাৰ ইতিবাচক বুলি প্ৰকাশ কৰা হৈছে। বতৰ অস্বাভাৱিক পৰিৱৰ্তনৰ ফলত গ্ৰাম্য আয় মধ্যমীয়া হৈ থাকিব।

অৱশ্যে গোলকীয় অৰ্থব্যৱস্থা সন্দৰ্ভত এই প্ৰতিবেদনত অনিশ্চিয়তা প্ৰকাশ কৰা হৈছে। ইয়াৰ ফলত বাহনৰ বিক্ৰী আৰু চহৰ অঞ্চলত সামগ্ৰীৰ বিক্ৰী হ্ৰাস পোৱা পৰিলক্ষিত হৈছে।

০০০০০০০

কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই কৈছে যে, আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ভাৰত গোলকীয় উৎপাদন কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। চেন্নাইৰ সমীপৰ শ্ৰীপেৰাম্বুদুৰৰ CISCOৰ উদ্বোধনী অনুষ্ঠানত তেওঁ কয় যে, গোলকীয় প্ৰযুক্তিৰ প্ৰেক্ষাপটত এই সুবিধাই দেশৰ বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব। তেওঁ কয় যে, দেশৰ দূৰসংযোগ ব্যৱস্থা বিকাশৰ ক্ষেত্ৰতো এই সুবিধাই বিশেষ অৰিহনা আগবঢ়াব।

০০০০০০০

কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে আজি বিশ্ব পৰ্যটন দিৱস উপলক্ষে ৰাষ্ট্ৰজুৰি পৰ্যটনক প্ৰসাৰিত কৰাৰ বাবে **পৰ্যটন মিত্ৰ** আৰু **পৰ্যটন দিদি** পদক্ষেপ মুকলি কৰে। পৰ্যটনস্থলীসমূহত পৰ্যটকসকলৰ বাবে সকলো ধৰণৰ সুবিধা প্ৰৱৰ্তনৰ লগতে নিৰ্দিষ্ট পৰ্যটনস্থলীৰ সন্দৰ্ভত জনসাধাৰণক গৌৰৱেৰে সবিশেষ অৱগত কৰাৰ লক্ষ্যৰে মন্ত্ৰালয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

মন্ত্ৰালয়ে কৈছে যে, এই পদক্ষেপৰ অধীনত নতুন পৰ্যটন ক্ষেত্ৰক প্ৰসাৰ কৰাৰ বাবে মহিলা আৰু নৱপ্ৰজন্মক বিশেষভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব যাতে ঐতিহ্যক্ষেত্ৰৰ পৰিভ্ৰমণ, খাদ্য সম্ভাৰ, হস্তশিল্প, প্ৰকৃতি পৰিদৰ্শন, পৰ্যটন ক্ষেত্ৰৰ সমীপৰ আৱাসত থকাৰ অভিজ্ঞতাকে ধৰি আন বিভিন্ন সম্ভাৱনামূলক পৰ্যটন ক্ষেত্ৰ তথা পৰ্যটন সামগ্ৰীৰ প্ৰসাৰিত কৰাৰ লক্ষ্য লোৱা হৈছে। চলিত বৰ্ষৰ ১৫ আগষ্টৰ পৰা ছুটা প্ৰায় ৩ হাজাৰ যুৱ প্ৰজন্মক পৰ্যটন মিত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

উল্লেখযোগ্য যে প্ৰতিবছৰে ২৭ ছেপ্তেম্বৰত পৰ্যটনৰ ভূমিকাক প্ৰতিফলিত কৰি বিশ্ব পৰ্যটন দিৱস উদযাপন কৰা হয়। চলিত বৰ্ষৰ এই দিৱসৰ মূল বাণী হৈছে- পৰ্যটন আৰু শান্তি।

০০০০০০০

ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলে আজি কামৰূপ মহানগৰ জিলাৰ ডিমৰিয়া উন্নয়নখণ্ডৰ অন্তৰ্গত বৰখাটত থকা মহিলা খাদ্য প্ৰ-সংস্কৰণ সমবায় সমিতি ভ্ৰমণ কৰে। উল্লেখযোগ্য যে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত এই সমবায় সমিতিখন গঠন কৰা হৈছে। বিত্ত আয়োগৰ অধ্যক্ষকে ধৰি দলটোৱে সমবায় সমিতিখনৰ কৰ্মকৰ্তাসকলৰ

সৈতে মত বিনিময় কৰি তেওঁলোকে প্ৰস্তুত কৰি উলিওৱা সামগ্ৰীসমূহৰ বিষয়ে বুজ লয়। তেওঁলোকে বজাৰৰ সৈতে থকা সমবায় সমিতিৰ সদস্যসকলৰ যোগাযোগ ব্যৱস্থাৰ লগতে আন আন প্ৰাসংগিক বিষয় সন্দৰ্ভত মত বিনিময় কৰে। দলটোৱে ইয়াৰ পাছত চতুৰ্দশ আৰু পঞ্চদশ বিত্ত আয়োগৰ পুঁজিৰে নিৰ্মিত সোণাপুৰ গাঁও পঞ্চায়ত আৰু তেতেলীয়া গাঁও পঞ্চায়তৰ বজাৰ এলেকা পৰিদৰ্শন কৰে। বিত্ত আয়োগৰ দলটোৱে ইয়াৰ পাছত মৰিগাঁও জিলাৰ জাগীৰোডত নিৰ্মীয়মান টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত এই প্ৰকল্পটোত থাকিবলগীয়া সুবিধা, নিয়োগৰ সম্ভাৱনীয়তা তথা ইয়াৰ ফলত স্থানীয় যুৱ সমাজৰ মাজত হ'ব পৰা দক্ষতা বিকাশৰ সম্ভাৱনীয়তা সন্দৰ্ভত দলটোক অৱগত কৰোৱা হয়।

0000000

ইন্দোনেছিয়াৰ পশ্চিম সুমাত্ৰাৰ এটা অবৈধ সোণৰ খনি খহি যোৱাৰ ফলত কমেও ১৫ গৰাকী শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে ২৫ গৰাকী শ্ৰমিক নিৰুদ্দেশ হৈ আছে। দেশখনৰ দুৰ্যোগ ব্যৱস্থাপনা সংস্থাৰ মুৰববীগৰাকীয়ে আজি সংবাদ মাধ্যমৰ আগত কয় যে, ছ'লক অঞ্চলৰ নাগাৰি ছুংগাই আবুত এই দুৰ্ঘটনাটো সংঘটিত হয়। তেওঁ কয় যে, দুৰ্গত লোকসকলক উদ্ধাৰ কৰাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **স্বচ্ছতা হি সেৱা** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যিক পঞ্চায়তি ৰাজ আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যুটীয়া সঞ্চালক সুৰজিৎ বৰগোঁহাই আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক ডাঃ ভাস্কৰ ঠাকুৰীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰি মানস প্ৰতীম শৰ্মাই।

0000000

মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মহিলা যুটী তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দে টাইৱানৰ ছু য়িন-হুই আৰু ৰু লু য়ুক ২১-১২, ২১-১৭ পোনপটীয়া ছেটত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীয়ে কাইলৈ ছেমি ফাইনেলত টাইৱানৰে যুটী হুছী পেই-ছান আৰু হুংগ ইন-ত্‌জুৰ মুখামুখি হ'ব। ইফালে ভাৰতৰ কিদাম্বী শ্ৰীকান্ত পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত হংকঙৰ এঙ্গেজ এনজি কা লংৰ হাতত ২১-১৬, ২১-১২ পোনপটীয়া ছেটত পৰাস্ত হয়।

0000000

কানপুৰৰ গ্ৰীন পাৰ্কত অনুষ্ঠিত ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত দ্বিতীয়খন ক্ৰিকেট টেষ্ট মেছৰ প্ৰথম ইনিংছত বৰ্ষাবিঘ্নিত প্ৰথম দিনাৰ খেলৰ অন্তত বাংলাদেশে ৩ উইকেটত ১০৭ ৰাণ সংগ্ৰহ কৰে। প্ৰৱল বৃষ্টিপাতৰ বাবে প্ৰথম দিনাৰ খেল স্থগিত ৰখাৰ সময়ত বাংলাদেশৰ মমিনুল হকে ৪০ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। ভাৰতৰ হৈ আকাশদ্বীপে দুটা উইকেট দখল কৰাৰ বিপৰীতে ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতে চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্ট মেচত বাংলাদেশক ২৮০ ৰানত পৰাস্ত কৰিছিল।

0000000

সমাপ্ত